REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 3-10-2023
Time : 1845 Hrs.

**ASSAMESE EVENING BULLETIN**

HL (3-10-2023, EVEN)

১। বাল্য বিবাহৰ বিৰুদ্ধে অসম আৰক্ষীৰ শেহতীয়া অভিযানত এহেজাৰৰো অধিক অভিযুক্তক গ্ৰেপ্তাৰ।

২। শিক্ষা সেতুত শিক্ষক আৰু ছাত্ৰৰ সবিশেষ সন্নিৱিষ্ট নকৰা বিদ্যালয় প্ৰধানৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি সমগ্ৰ শিক্ষা বিভাগৰ নিৰ্দেশ।

৩। ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ স্থিতি, ইংৰাজী মাধ্যমৰ বিদ্যালয়ত অসমীয়াক বাধ্যতামূলক বিষয় হিচাপে ৰখা সন্দৰ্ভত অসম চুক্তি ৰূপায়ণ বিভাগৰ আলোচনা।

৪। নেপালক পৰাস্ত কৰি এছিয়ান গেমছৰ পুৰুষৰ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰতৰ ফাইনেলত প্ৰৱেশ।

*আৰু*

৫। বিশ্ব চেম্পিয়ন লাভলীনা বৰগোহাঁইৰ এছিয়ান গেমছৰ মহিলাৰ বক্সিঙৰ ৭৫ কিলোগ্ৰাম শাখাৰ ফাইনেলত প্ৰৱেশ।

000000000

অসম আৰক্ষীয়ে বাল্য বিবাহৰ বিৰুদ্ধে পুনৰ চলোৱা অভিযানত এই পৰ্যন্ত এহেজাৰৰো অধিক অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা অনুসৰি বাল্য বিবাহৰ ঘটনাত গ্ৰেপ্তাৰৰ সংখ্যা এহেজাৰ ৩৯ লৈ বৃদ্ধি পাইছে। উল্লেখযোগ্য যে যোৱা নিশাৰ পৰা ৰাজ্যৰ বিভিন্ন প্ৰান্তত চলা আৰক্ষীৰ বিশেষ অভিযানত এইসকল অভিযুক্তক গ্ৰেপ্তাৰ কৰা হৈছে। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা অনুসৰি ধুবুৰীত ১৯০ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। ইয়াৰ ভিতৰত ধুবুৰী সদৰ আৰক্ষী থানা এলেকাৰ পৰা ৩৫ জনক আৰু গোলকগঞ্জৰ পৰা ৪২ জনক গ্ৰেপ্তাৰ কৰা হৈছে। একেদৰে বিলাসীপাৰা থানা এলেকাৰ পৰা ৩৬ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। কামৰূপ জিলাৰ হাজো আৰক্ষীয়ে অঞ্চলটোৰ বিভিন্ন স্থানৰ পৰা কালি ৮ জন লোকক আৰু ৰঙিয়া মহকুমাৰ বিভিন্ন অঞ্চলৰ পৰা ৫ জনক গ্ৰেপ্তাৰ কৰে। বৰপেটাৰ বিভিন্ন স্থানৰ পৰা ১৪২ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। ইয়াৰ ভিতৰত যোৱানিশা বৰপেটা, বৰপেটা ৰোড, তাৰাবাৰী, সৰ্থেবাৰী আৰু কলগাছিয়া থানা আৰক্ষীয়ে ৭৬ জন লোকক গ্ৰেপ্তাৰ কৰে। কৰিমগঞ্জতো ৪৯ জন অভিযুক্তক গ্ৰেপ্তাৰ কৰা হয়। দক্ষিণ শালমাৰা মানকাচৰ জিলাত আৰক্ষীয়ে বাল্য বিবাহৰ বিৰুদ্ধে অভিযান চলাই যোৱানিশা ৩৯ জন লোকক গ্ৰেপ্তাৰ কৰিছে। ইপিনে, চিৰাং জিলাৰ আৰক্ষীয়ে এই অভিযানত ১০ জন লোকক গ্ৰেপ্তাৰ কৰিছে। মৰিগাঁও জিলাৰ বিভিন্ন স্থানত আৰক্ষীয়ে যোৱানিশা অভিযান চলাই বাল্য বিবাহৰ সৈতে জড়িত ৭ জন লোকক গ্ৰেপ্তাৰ কৰে। ইপিনে, দৰং জিলাত মঙলদৈ আৰক্ষীয়ে এই সন্দৰ্ভত দুজন লোকক গ্ৰেপ্তাৰ কৰিছে। মুখ্যমন্ত্ৰীৰ কঠোৰ নিৰ্দেশনা অনুসৰি দেৰগাঁও আৰক্ষীয়ে অভিযান চলাই যোৱানিশা তিনিজন লোকক গ্ৰেপ্তাৰ কৰে। এই অভিযোগত নলবাৰী জিলাতো নলবাৰী আৰক্ষীয়ে ১০ জন লোকক গ্ৰেপ্তাৰ কৰিছে। কোকৰাঝাৰ জিলাত আৰক্ষীয়ে বাল্য বিবাহ বিৰোধী অভিযানত ২৪ জন লোকক গ্ৰেপ্তাৰ কৰে।

০০০০০০০০০

শিক্ষা সেতুত শিক্ষক আৰু ছাত্ৰৰ সবিশেষ সন্নিৱিষ্ট নকৰা বিদ্যালয় প্ৰধানৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি সমগ্ৰ শিক্ষা বিভাগে নিৰ্দেশনা জাৰি কৰিছে। নিৰ্দেশ অমান্য কৰা প্ৰধান শিক্ষকৰ ছেপ্তেম্বৰ মাহৰ দৰমহা বন্ধ কৰা হ'ব বুলি জাননীটোত কোৱা হৈছে। ইপিনে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে বিদ্যালয়ত শৈক্ষিক আৰু অনাশৈক্ষিক দুয়োটা বিষয়ত গুৰুত্ব দিয়া হৈছে বুলি এখন সংবাদ মেলত প্ৰকাশ কৰে। শিক্ষকসকলক অনাশৈক্ষিক কাৰ্যসূচীত নিয়োজিত কৰা সন্দৰ্ভত চৰ্চা হোৱাৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষামন্ত্ৰী ডাঃ পেগুৱে শিক্ষাৰ্থীসকলক ভৱিষ্যতে সুনাগৰিক হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত অনা শৈক্ষিক বিষয়ৰ গুৰুত্ব আছে বুলি উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে দেশ, সমাজ আৰু ধৰিত্ৰীৰ প্ৰতি সজাগ কৰিবলৈ বিদ্যালয়সমূহত এনে কাৰ্যসূচী লোৱা উচিত। বিদ্যালয়সমূহত পোষণ সপ্তাহ, অমৃত বৃক্ষ আন্দোলন আৰু অমৃত কলহৰ দৰে কাৰ্যসূচী ৰূপায়ণ কৰাটো ইতিবাচক দিশ বুলিও তেওঁ মন্তব্য কৰে।

০০০০০০০০০

অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী অতুল বৰাই আজি চুক্তি সম্পৰ্কীয় কাম তথা প্ৰকল্পৰ সম্পাদনৰ সৈতে জড়িত বিভাগীয় বিষয়াসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। খিলঞ্জীয়া লোকৰ ভূমিৰ অধিকাৰ, নুমলীগড় শোধনাগাৰ সম্প্ৰসাৰণ প্ৰকল্প, ভাৰত-বাংলাদেশ আন্তঃৰাষ্ট্ৰীয় সীমান্তত কাইটীয়া বেৰ দিয়া সন্দৰ্ভত বৈঠকত আলোচনা কৰা হয়। ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ স্থিতি, ইংৰাজী মাধ্যমৰ বিদ্যালয়ত অসমীয়াক বাধ্যতামূলক বিষয় হিচাপে ৰখা সন্দৰ্ভতো বৈঠকত আলোচনা হয়। ইপিনে, অসম চুক্তিৰ দফাসমূহৰ ফলপ্ৰসু ৰূপায়ণৰ বাবে গঠন কৰা উপসমিতিখনে যাতে ক্ষীপ্ৰতাৰে চূড়ান্ত প্ৰতিবেদন দাখিল কৰিব পাৰে তাৰ বাবে সংশ্লিষ্ট বিভাগসমূহৰ পৰা প্ৰয়োজনীয় সকলো সহযোগিতা আগবঢ়াবলৈ বিষয়াসকলক মন্ত্ৰী শ্ৰী বৰাই আহ্বান জনায়। আজিৰ এই বৈঠকত অসম চুক্তি ৰূপায়ণ বিভাগৰ সচিব জি এছ্ পানেচৰ, গৃহ আৰু ৰাজনৈতিক পৰিক্ৰমা বিভাগৰ সচিব পাৰ্থপ্ৰতীম মজুমদাৰকে ধৰি বহুকেইজন শীৰ্ষ বিষয়া উপস্থিত থাকে।

০০০০০০০০০

গোৱালপৰীয়া লোকগীতৰ স্বনামধন্য শিল্পী পদ্মশ্ৰী সন্মানেৰে সন্মানিত প্ৰতিমা বৰুৱা পাণ্ডেৰ জন্মবাৰ্ষিকী উপলক্ষে আজি শিল্পীগৰাকীৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰা হয়। ১৯৮৮ চনত সংগীত নাটক একাডেমী বঁটাৰে সন্মানিত শিল্পীগৰাকীয়ে বিশ্ববন্দিত শিল্পী ভূপেন হাজৰিকা, হেমাংগ বিশ্বাস, দিলীপ শৰ্মা আদিৰ সৈতে গুৱাহাটীৰ জজ্ খেলপথাৰত একেলগে ৰাজহুৱাকৈ সংগীত পৰিৱেশন কৰি ৰাজহুৱা সংগীত জীৱনৰ আৰম্ভণি কৰিছিল। ১৯৭৫ চনত ভূপেন হাজৰিকাৰ সৈতে কলিকতাত প্ৰথমবাৰৰ বাবে গীত বাণীবদ্ধ কৰা শিল্পীগৰাকীয়ে ১৯৭৬ চনত আকাশবাণীৰ শিল্পী হিচাপে স্বীকৃতি লাভ কৰে। আজি চানমাৰিত থকা শিল্পীগৰাকীৰ প্ৰতিমূৰ্তিৰ সন্মুখত তেওঁৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰা হয়। এই অনুষ্ঠানত কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। শিল্পীগৰাকীৰ জয়ন্তী উপলক্ষে তেওঁৰ জন্মস্থান গৌৰীপুৰত আজি বিশেষ কাৰ্যসূচী গ্ৰহণ কৰা হয়। গৌৰীপুৰৰ ঐতিহাসিক মাটিয়াবাগ হাৱাখানাত আজি শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই সংগীতানুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে শিল্পীগৰাকীক স্মৰণ কৰি ভাষণ দিয়ে। এই অনুষ্ঠানত গোৱালপৰীয়া লোকগীতৰ শিল্পী জবা চক্ৰৱৰ্তীয়ে গীত পৰিৱেশন কৰে। উল্লেখযোগ্য যে এই স্থানতে ১৯৩৪ চনৰ আজিৰ দিনটোত শিল্পীগৰাকীৰ জন্ম হৈছিল।

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে শিল্পীগৰাকীক জন্মদিৱসত শ্ৰদ্ধাৰে সোঁৱৰণ কৰি দিয়া বাৰ্তাত কয় যে অসমীয়া লোক-সংস্কৃতিক শিল্পীগৰাকীয়ে হৃদয়স্পৰ্শী কণ্ঠৰে জীপাল কৰি থৈ গৈছে। সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই এই উপলক্ষে দিয়া এটা বাৰ্তাত কয় যে গোৱালপৰীয়া লোকগীতৰ সম্ৰাজ্ঞী হিচাপে অভিহিত শিল্পীগৰাকীৰ অতুলনীয় সৃষ্টি আৰু কণ্ঠস্বৰত অসমৰ মাটিৰ গোন্ধ আৰু জনজীৱনৰ আত্মা প্ৰতিফলিত হয়। গোৱালপৰীয়া লোকগীতক সৰ্বস্তৰৰ জনসাধাৰণৰ মাজত জনপ্ৰিয় কৰাৰ ক্ষেত্ৰত শিল্পীগৰাকীৰ অৱদান চিৰ স্মৰণীয় হৈ ৰ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০০০০

ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়াই আজি সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ বিভিন্ন কাৰ্যসূচী তথা উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতি পৰ্যালোচনা কৰে। ৰাজ্যপালগৰাকীয়ে অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনৰ উত্তৰণৰ ক্ষেত্ৰত অনাগত দিনত ল'বলগীয়া পদক্ষেপসমূহৰ সন্দৰ্ভতো আলোচনা কৰে। এই বৈঠকত উপস্থিত থাকি সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই কয় যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্য চৰকাৰে অসম আৰু বৰ্ণাঢ্য সাংস্কৃতিক ক্ষেত্ৰৰ উত্তৰণ আৰু প্ৰসাৰৰ বাবে ভালেমান পদক্ষেপ লৈছে। ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত বীৰ লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জয়ন্তী উদযাপন অথবা বিশ্ববাসীৰ সন্মুখত বিহুক মহিমামণ্ডিত কৰা অনুষ্ঠানৰ প্ৰসংগও মন্ত্ৰীগৰাকীয়ে উত্থাপন কৰে। সমাজ গঢ়াৰ মাধ্যম হিচাপে সাংস্কৃতিক জগতখনক শক্তিশালী কৰি ৰাখিবলৈ ৰাজ্য চৰকাৰ দৃঢ় প্ৰতিজ্ঞ বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। এই বৈঠকত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ প্ৰধান সচিব ড° বি কল্যাণ চক্ৰৱৰ্তী, অতিৰিক্ত সচিব মণিদীপা বৰকটকী, সঞ্চালক মীনাক্ষী দাস নাথকে ধৰি কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকে।

০০০০০০০০০

আন্তৰ্জাতিক কন্যা শিশু দিৱসৰ সৈতে সংগতি ৰাখি মহিলাৰ সুৰক্ষা, নিৰাপত্তা আৰু সৱলীকৰণৰ লক্ষ্যৰে আজি যোৰহাট জিলাৰ মৰিয়নিত মাহজোৰা সজাগতা অভিযান আৰম্ভ কৰা হয়। অসম চৰকাৰৰ মহিলা আৰু শিশু উন্নয়ন বিভাগৰ উদ্যোগত সোণোৱাল চাহ বাগিচাত আয়োজিত অনুষ্ঠানত ৰাজ্যৰ বিত্ত, মহিলা আৰু শিশু কল্যাণ মন্ত্ৰী অজন্তা নেওগ উপস্থিত থাকে। মন্ত্ৰীগৰাকীয়ে চাহ বাগিচাৰ মহিলাসকলক নিজৰ স্বাস্থ্যৰ প্ৰতি সজাগ হ'বলৈ আহ্বান জনোৱাৰ লগতে বাগিচা অঞ্চলত সুৰা আৰু বিভিন্ন মাদক দ্ৰব্যৰ বিৰুদ্ধে গণ আন্দোলন গঢ়ি তুলিবলৈ আহ্বান জনায়। তদুপৰি বাল্য বিবাহ বন্ধ কৰাৰ বাবে মাতৃসকলক শক্তিশালী ভূমিকা ল'বলৈ মন্ত্ৰীগৰাকীয়ে পৰামৰ্শ দিয়ে। সভাত সাংসদ তপন গগৈ, কামাখ্যা প্ৰসাদ তাচা, বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০০০০

মুখ্যমন্ত্ৰীৰ তদাৰকী আৰু দুৰ্নীতি নিবাৰক শাখাই অভিযান চলাই আজি হাইলাকান্দি জিলাৰ আব্দুলাপুৰ নিৰীক্ষণ চকীৰ এ এছ আই হিতুশ নাথক উৎকোচ লোৱাৰ অভিযোগত গ্ৰেপ্তাৰ কৰে। দুটা পক্ষৰ সংঘাত নিষ্পত্তি কৰা বাবদ এ এছ আই নাথে ১০ হাজাৰ টকা উৎকোচ লোৱা সময়তে অভিযানকাৰী দলে হাতেলোটে কৰায়ত্ব কৰে।

০০০০০০০০০

মেৰি মাটি মেৰা দেশ কাৰ্যসূচীৰ অধীনত অমৃত কলহ যাত্ৰাৰ অংশ হিচাপে **শোণিতপুৰ** জিলাৰ বালিপৰা উন্নয়ন খণ্ডৰ মানশিৰি পঞ্চায়তৰ প্ৰতিখন গাঁৱৰ প্ৰতিটো পৰিয়ালৰ পৰা সংগ্ৰহ কৰা মাটি আজি

পঞ্চায়ত কাৰ্যালয়লৈ লৈ যোৱা হয়। এই কাৰ্যসূচীত বিধায়ক কৃষ্ণ কমল তাঁতী আৰু এছ্ এছ্ বিৰ বিষয়াসকলে মাটিসমূহ মিহলি কৰে। ইয়াৰ লগতে পঞ্চপণ, মিট্টিগীত আদি পৰিৱেশন কৰা হয়। **তেজপুৰ** বিধানসভা সমষ্টিৰ অন্তৰ্গত অমৃত কলহ যাত্ৰাৰ অংশ হিচাপে আজি বেচেৰিয়া গাঁও পঞ্চায়তৰ ১৪ খন গাঁও পঞ্চায়তৰ ৰাইজে কাৰ্যসূচীত অংশগ্ৰহণ কৰে। অনুষ্ঠানত বিধায়ক পৃথ্বিৰাজ ৰাভাও উপস্থিত থাকে। **চৰাইদেউ** জিলাত এই কাৰ্যসূচীৰ অংশ হিচাপে চলাপথাৰ গাঁও পঞ্চায়ত আৰু চেপন গাঁও পঞ্চায়ত এলেকাত সংগ্ৰহ কৰা মাটিভৰ্তি কলহসমূহ আজি গাঁও পঞ্চায়ত কাৰ্যালয়ত কৰ্তৃপক্ষক অৰ্পণ কৰা হয়। সংগ্ৰহ কৰা মাটি লৈ উলিওৱা শোভাযাত্ৰাত ৰাজ্যৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী যোগেন মহনে অংশগ্ৰহণ কৰে। ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে **মাৰ্ঘেৰিটা**টো অমৃত কলহ যাত্ৰা কাৰ্যসূচীৰ অংশ হিচাপে মাটি মিহলি কৰি কলহত ভৰাই শোভাযাত্ৰা উলিওৱা হয়। ইয়াৰ পাছতে শামুকজান গাঁও পঞ্চায়তৰ উদ্যোগত এখন সভা অনুষ্ঠিত হয়।

০০০০০০০০০

সমাগত দুৰ্গাপূজা উপলক্ষে কামৰূপ মহানগৰ জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনৰ উদ্যোগত যাৱতীয় প্ৰস্তুতি সম্পৰ্কে আজি এখন বৈঠক অনুষ্ঠিত হয়। জিলা পুথিভৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত এই বৈঠকত জিলা উপায়ুক্ত পল্লৱ গোপাল ঝা, আৰক্ষী আয়ুক্ত দিগন্ত বৰাকে ধৰি আৰক্ষী প্ৰশাসনৰ শীৰ্ষ বিষয়াৰ লগতে দুৰ্গা পূজা আয়োজন কৰা সমিতিৰ সদস্যসকলে অংশগ্ৰহণ কৰে। এই সভাত দুৰ্গা পূজা আৰম্ভ হোৱাৰ পৰা প্ৰতিমা বিসৰ্জন দিয়ালৈকে বিভিন্ন দিশৰ বিষয়ে আলোচনা কৰা হয়। মহানগৰীত যাতে সুচাৰুৰূপে দুৰ্গা পূজা অনুষ্ঠিত হয় তাৰ বাবে প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ, অগ্নি নিৰ্বাপক বাহিনীৰ লগতে আৰক্ষী প্ৰশাসনে বান্ধি দিয়া নীতি-নিৰ্দেশনাসমূহ পালন কৰিবলৈ দুৰ্গা পূজা সমিতিসমূহক নিৰ্দেশ দিয়া হয়। বৈঠকত জনসাধাৰণৰ অসুবিধা হোৱাকৈ পথ-উপপথ সমূহ বন্ধ কৰি দুৰ্গা পূজা অনুষ্ঠিত নকৰিবলৈ আৰক্ষী-প্ৰশাসনে দুৰ্গাপূজা সমিতিসমূহক নিৰ্দেশ দিয়ে। পূজা অনুষ্ঠিত কৰিবলৈ সমিতি সমূহে স্থানীয় আৰক্ষী থানাৰ পৰা অনুমতি ল'ব লাগিব বুলিও আৰক্ষী আয়ুক্ত দিগন্ত বৰাই প্ৰকাশ কৰিছে। আনহাতে পূজা মণ্ডপত চিচি কেমেৰা স্থাপন কৰিবলৈ নিৰ্দেশ দিয়া হয়।

০০০০০০০০০

ৰাজ্য চৰকাৰে ২০২৩-২৪ বিত্তীয় বৰ্ষৰ শিল্পী পেঞ্চন আঁচনিৰ হিতাধিকাৰী নিৰ্বাচনৰ বাবে শিল্পীসকলৰ পৰা প্ৰয়োজনীয় প্ৰমাণপত্ৰসহ আবেদন আহ্বান কৰিছে। এই সন্দৰ্ভত ৰাজ্য চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ে প্ৰকাশ কৰা জাননী অনুসৰি কাইলৈ পুৱা ১০ বজাৰ পৰা অনলাইন আবেদন কৰিব পাৰিব। সাংস্কৃতিক সঞ্চালকালয়ৰ ৱেবচাইট www.directorculture.assam.gov.in আৰু www.silpisanmanassam.comত অনলাইন আবেদন কৰিব পাৰিব বুলি সাংস্কৃতিক সঞ্চালকালয়ে জানিবলৈ দিছে। অনলাইন আবেদন দাখিল কৰা অন্তিম দিন হৈছে ৩ নৱেম্বৰৰ।

০০০০০০০০০

বাক্সা জিলাৰ থম্‌না অঞ্চলৰ ৰাইজে আজি পৰম্পৰা বৰ্তাই ৰাখি সমূহীয়াভাৱে মাছ ধৰা উৎসৱত অংশ লয়। ৪১ বছৰ ধৰি চলি থকা এই পৰম্পৰা বজাই ৰাখিবলৈ পুৱাতেই জাকৈ, পল', জাল আদি লৈ বিভিন্ন বয়সৰ পুৰুষ-মহিলাসকল ওলাই আহে। উল্লেখযোগ্য যে বিশ্বাস অনুসৰি থম্‌নাৰ মাজেৰে বৈ যোৱা মৰাদিয়া নৈত বছৰৰ এই নিৰ্দিষ্ট দিনটোতহে ৰাইজে মাছ ধৰে। মুছলপুৰ মহকুমাৰ অন্তৰ্গত আথিয়াবাৰী,

নাওশালি, জালাহ, অঞ্চলি, মাণিকপুৰ, চৰাইমাৰীকে ধৰি কেইবাখনো গাঁৱৰ পাঁচ সহস্ৰাধিক লোকে অঞ্চলটোত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰে।

০০০০০০০০০

গোলাঘাট জিলাৰ মৰঙী মৌজাত বন্যহস্তীৰ উপদ্ৰৱৰ ফলত জনজীৱনৰ প্ৰতি ভাবুকিৰ সৃষ্টি হৈছে। অঞ্চলটোত দিনে-নিশাই বনৰীয়া হাতীৰ জাকে বিচৰণ কৰি ফুৰাৰ পৰিপ্ৰেক্ষিতত অঞ্চলটোৰ লোকে নিশা উজাগৰে কটাবলগীয়া হৈছে। হাতীৰ জাকটোৱে কালি আঠাবাৰী চাহ বাগিচা আৰু প্ৰভাকৰ চাহ বাগিচাত উপদ্ৰৱ চলায়। জনসাধাৰণে বন বিভাগৰ ওচৰত এই সমস্যা সমাধানৰ বাবে অনুৰোধ জনাইছে।

০০০০০০০০০

ভাৰত আৰু নেডাৰলেণ্ডছৰ মাজত তিৰুৱনন্তপুৰমত আজি হ'বলগীয়া এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ অনুশীলন খেলখন বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা কৰা হয়। ধাৰাষাৰ বৰষুণৰ পৰিণতিত এটাও বল নেখেলাকৈ খেলখন বাতিল কৰিবলগীয়া হয়। উল্লেখযোগ্য যে, গুৱাহাটীত শনিবাৰে ইংলেণ্ডৰ বিৰুদ্ধে ভাৰতৰ প্ৰথমখন প্ৰস্তুতি খেলো বৰষুণৰ বাবে পৰিত্যক্ত হৈছিল।

০০০০০০০০০

বিশ্ব চেম্পিয়ন তথা টকিঅ' অলিম্পিকৰ ব্ৰঞ্জৰ পদক জয়ী লাভলীনা বৰগোহাঁয়ে এছিয়ান গেমছৰ মহিলাৰ বক্সিঙৰ ৭৫ কিলোগ্ৰাম শাখাৰ ফাইনেলত প্ৰৱেশ কৰিছে। আজি অনুষ্ঠিত ছেমিফাইনেলত লাভলীনাই থাইলেণ্ডৰ মানীকন বাইছনক ৫-০ পইণ্টৰ ব্যৱধানত পৰাস্ত কৰে। ফাইনেলত প্ৰৱেশ কৰাৰ সুবাদত লাভলীনাই ২০২৪ৰ পেৰিছ অলিম্পিকলৈ যোগ্যতা অৰ্জন কৰিছে। কাইলৈ হ'বলগীয়া ফাইনেলত ভাৰতীয় বক্সাৰ গৰাকী চীনৰ লী কিয়ানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০০০

চীনৰ হাংচ'অ'ত অনুষ্ঠিত এছিয়ান গেমছত ভাৰতৰ পদক জয়ৰ যাত্ৰা অব্যাহত আছে। ভাৰতে আজি প্ৰতিযোগিতাৰ দশম দিনা দুটা সোণ, এটা ৰূপ আৰু তিনিটা ব্ৰঞ্জৰ পদক লাভ কৰে। এথলেটিকছৰ মহিলাৰ পাঁচ হাজাৰ মিটাৰ দৌৰত পাৰুল চৌধুৰীয়ে সোণৰ পদক অৰ্জন কৰাৰ বিপৰীতে মহিলাৰ ৪০০ মিটাৰ বাধাদৌৰত বিধ্যা ৰামৰাজে ব্ৰঞ্জৰ পদক লাভ কৰে। পুৰুষৰ ডেকাথলনত ১৯৭৪ চনৰ পিছত ভাৰতে প্ৰথমটো ৰূপৰ পদক লাভ কৰিবলৈ সমৰ্থ হৈছে। আনহাতে মহিলাৰ জেভলিন থ্ৰোত উন্নু ৰাণীয়ে সোণৰ পদক জয় কৰে।

ইপিনে ভাৰতৰ অৰ্জুন সিং আৰু সুনীল সিং চালামে পুৰুষৰ এহেজাৰ মিটাৰ ডিঙা চালনাৰ ডাবলছত ব্ৰঞ্জৰ পদক হস্তগত কৰে। আনহাতে ভাৰতীয় মহিলা হকী দলে লীগ পৰ্যায়ত নিজৰ অন্তিমখন খেলত হংকঙক ১৩-০ গ'লত পৰাভূত কৰি ছেমিফাইনেলত স্থান নিশ্চিত কৰিছে। মহিলাৰ টেনিছতো ভাৰতীয় দলে জয়ৰে অভিযানৰ পাতনি মেলিছে। ভাৰতীয় দলে প্ৰথমখন খেলত মংগোলীয়াক ৩-০ ফলাফলত পৰাভূত কৰিছে। একেদৰে স্কোৱাছৰ মিক্সড ডাবলছত ভাৰতৰ দীপিকা পল্লিকল আৰু হৰিন্দৰ পাল সিঙ সান্ধুৰ যুটিটোৱে পুল 'এ'ৰ এখন খেলত জাপানৰ বিৰুদ্ধে জয়লাভ কৰিছে। পুৰুষৰ ফ'ৰ ইনটু ফ'ৰ হাণ্ড্ৰেড মিটাৰ ৰিলে দৌৰত ভাৰতীয় দলটোৱে ফাইনেলত প্ৰৱেশ কৰিছে। কাবাদীত ভাৰতে গ্ৰুপ পৰ্যায়ৰ নিজৰ প্ৰথমখন খেলত বাংলাদেশক ৫৫-১৮ ফলাফলত পৰাভূত কৰিছে। ইপিনে, তেজস্বী শংকৰে তেওঁৰ অন্তিম প্ৰয়াসত ৩৮ দশমিক ০-৪ মিটাৰলৈ ডিস্কাছ থ্ৰ' কৰি পুৰুষৰ ডেকাথলন ডিস্কাছ থ্ৰ'ত তৃতীয় স্থান লাভ কৰিছে। ইফালে, এইছ এছ প্ৰণয়ে বেডমিণ্টনৰ পুৰুষৰ ছিংগলছত মুনখবাটক আৰু আৰু পিভি

সিন্ধুৱে মহিলাৰ ছিংগলছত ৰেন ছি ছ্যুক পৰাভূত কৰিছে। অৱশ্যে বেডমিণ্টনৰ ছিংগলছ্ শাখাত অসমৰ অস্মিতা চলিহাৰ অভিযানৰ অন্ত পৰিছে। ইপিনে, নেপালক পৰাস্ত কৰি ভাৰতে পুৰুষ ক্ৰিকেটৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে।

ভাৰতে এইবাৰৰ এছিয়ান গেমছত বৰ্তমানলৈকে ১৫টা সোণ, ২৫টা ৰূপ আৰু ২৬টা ব্ৰঞ্জসহ মুঠ ৬৬টা পদক লাভ কৰিছে। ভাৰত সম্প্ৰতি প্ৰতিযোগিতাৰ পদক তালিকাত চতুৰ্থ স্থানত আছে।

oooooooooo

সমাপ্ত